# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

*- - - - - - - - - - - - - - -*

আজি বিশ্ব পৰিৱেশ দিৱস। পৃথিৱী আৰু প্ৰকৃতিৰ সুৰক্ষাৰ হকে ইতিবাচক পাৰিৱেশিক কাৰ্যসূচী গ্ৰহণৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বতে সজাগতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতিবছৰে ৫ জুনত এই দিৱস পালন কৰা হয়। এই বছৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে- **প্লাষ্টিক প্ৰদূষণ ৰোধ কৰা।**

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত আজি দেশজুৰি গছপুলি ৰোপণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অসমতো অটল নগৰীয়া উজ্জীৱিতকৰণ আৰু ৰূপান্তৰকৰণ অভিযান অৰ্থাৎ অমৃত আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনত কাৰ্যসূচী অনুষ্ঠিত হৈছে। এই অভিযানৰ প্ৰথম পৰ্যায়ত ইতিমধ্যে কাৰ্যসূচী লোৱা হৈছে আৰু আজিৰ পৰা অহা ৩১ আগষ্টলৈ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী লোৱা হ'ব।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত বিশ্ব পৰিৱেশ দিৱসৰ বিশেষ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকে। এই দিৱসৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে **এক পেড় মা কে নাম** কাৰ্যসূচী ৰূপায়ণৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত বিশেষ প'ৰ্টেল মুকলি কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এই প'ৰ্টেলত সকলোৱে নিজৰ মাতৃৰ নামত ৰোপণ কৰা গছপুলিৰ ফটো আপলোড কৰিব পাৰিব। তেওঁ কয়, যে ৰাজ্য চৰকাৰে বনভূমিৰ সুৰক্ষাৰ বাবে এটা নতুন প'ৰ্টেল মুকলি কৰিছে। এই প'ৰ্টেলৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তা আৰু ছেটেলাইটৰ সহায়ত যিকোনো ঠাইত বন ধ্বংস কৰা কাৰ্য শীঘ্ৰেই প্ৰত্যক্ষ কৰি ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। ডঃ শৰ্মাই এই অনুষ্ঠানতে তৃতীয় বন সুৰক্ষা বাহিনীক প্ৰয়োজনীয় অস্ত্ৰ-শস্ত্ৰ বিতৰণ কৰে। ইয়াৰ ফলত বন সুৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকে স্বতন্ত্ৰ আৰু শক্তিশালীভাৱে কাম কৰি যাব পাৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বন বিভাগৰ বাবে ১৩০ খন বাহন মুকলি কৰে।

ৰাজ্যৰ আন আন প্ৰান্ততো পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণৰ লগতে আন আন কাৰ্যসূচী অনুষ্ঠিত হৈছে। কামৰূপ মহানগৰ জিলাৰ শিক্ষানুষ্ঠানসমূহত একোটাকৈ গছপুলি ৰোপণ কৰা হয়। **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত বহু শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মাতৃৰ সৈতে গছপুলি ৰোপণ কৰি ছেল্ফি লোৱাৰ লগতে ফটোসমূহ নিৰ্ধাৰিত প'ৰ্টেলত আপলোড কৰে। জিলাখনত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানেও বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰে। মহাবীৰ লাচিত সেনা অসমে পৰিৱেশৰ প্ৰতি সচেতনতা সৃষ্টিৰ লক্ষ্যৰে আজি মহানগৰীৰ বিভিন্ন স্থানত **প্ৰকৃতি সুৰক্ষা জীৱন ৰক্ষা** নামৰ এখন বাটৰ নাট

প্ৰদৰ্শন কৰে। চচল যুৱ সংঘৰ উদ্যোগত আৰু চচল আঞ্চলিক উন্নয়ন সমিতি, চচল জনজাতি মহিলা সমিতি, চচল সাহিত্য চ'ৰা সমিতি, শ্ৰীমন্ত শংকৰদেৱ নামঘৰ সংস্কৃতি কেন্দ্ৰ আৰু চচল ছয়মাইল মহিলা সমিতিৰ সহযোগত এই দিৱস পালন কৰা হয়।

**গোৱালপাৰা** জিলাৰ বিভিন্ন ঠাইতো এই দিৱস উপলক্ষে গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। বন বিভাগৰ গোৱালপাৰা সংমণ্ডলে উৰপদ বিলত গছপুলি ৰোপণ কৰে। এই কাৰ্যসূচীত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী, আৰক্ষী অধীক্ষক নৱনীত মহন্ত আৰু গোৱালপাৰা সংমণ্ডল প্ৰাধিকাৰী তেজেশ মৰিস্বামী উপস্থিত থাকে। জনস্বাস্থ্য কাৰিকৰী বিভাগ গোৱালপাৰা সংমণ্ডলেও আমজঙাৰ দীনদয়াল উপাধ্যায় মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন কৰে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা পৰিৱেশ আৰু বন বিভাগৰ সহযোগত **চিৰাঙৰ** বড়োবজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বাটৰ নাট পৰিৱেশন কৰাৰ লগতে গছপুলি ৰোপণ কৰা হয়। কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে এই দিৱসৰ সৈতে সংগতি ৰাখি গছপুলি ৰোপণ কৰে।

কামৰূপ, মৰিগাঁও, বিশ্বনাথ, দৰং, নলবাৰী, ধুবুৰী, পশ্চিম কাৰ্বি আংলং, কাৰ্বি আংলঙকে ধৰি সকলো জিলাতে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ooooo

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ উদ্যোগত পিএমশ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনৰ প্ৰাংগণত আজি গছপুলি ৰোপণ আৰু পৰিৱেশ সজাগতা সম্পৰ্কীয় বিশেষ অনুষ্ঠান অনুষ্ঠিত হৈছে। এই উপলক্ষে বিদ্যালয়খনৰ পঞ্চমৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সজাগতা আৰু প্লাষ্টিক প্ৰদূষণ ৰোধ সম্পৰ্কে ছবি অঁকা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। লেখক, কেৰিয়াৰ পৰামৰ্শদাতা শৈলেন বৈশ্যৰ পৰিচালনাত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত বিশিষ্ট পৰিৱেশ কৰ্মী, অসম গৌৰৱ সন্মানেৰে বিভূষিত নেচাৰ্চ বেকনৰ সঞ্চালক সৌম্যদীপ দত্ত আৰু শিক্ষয়িত্ৰী চন্দনা কলিতাই প্লাষ্টিক প্ৰদূষণ ৰোধ বিষয়ক ভাষণ আগবঢ়ায়। আকাশবাণী গুৱাহাটীয়ে আজি এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰিছে।

ooooo

বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে আজি ছিখনা জৌহৌলাও ৰাষ্ট্ৰীয় উদ্যানৰ অধীনৰ উল্টাপানীত পখিলাৰ সংগ্ৰহালয় আৰু সংৰক্ষণ তথা গৱেষণা কেন্দ্ৰ উদ্বোধন কৰে। এই সংগ্ৰহালয়ত প্ৰায় ২০০ বিধ প্ৰজাতিৰ পখিলা আছে। বিটিআৰ প্ৰধানগৰাকীয়ে আজি ৰাষ্ট্ৰীয় উদ্যানখনৰ আনুষ্ঠানিকভাৱে মুকলি কৰে।

ooooo

মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত আজি তিৱা ৰজা জোঙাল বলহুৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ প্ৰচেষ্টাত নিৰ্মাণ কৰা প্ৰতিমূৰ্তিটো আজি মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে উন্মোচন কৰে। অনুষ্ঠানত তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, জিলা আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জাগীৰোড সমজিলাৰ আয়ুক্তৰ লগতে গোভা ৰজা আৰু তিৱা ৰজা উপস্থিত থাকে। উন্মোচনী অনুষ্ঠানৰ পূৰ্বে মৰিগাঁও তৰুণৰাম ফুকন খেলপথাৰত অনুষ্ঠিত সভাত

কেইবাজনো লোকে জোঙাল বলহুৰ বীৰত্বৰ কথা উল্লেখ কৰে। অনুষ্ঠানত অসম গৌৰৱ বঁটাপ্ৰাপক নাদিৰাম দেউৰীৰ পৰিচালনাত তিৰা নৃত্য পৰিৱেশন কৰা হয়।

০০০০০

মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বাৰিষা সময়ৰ বাবে অহা ২০ জুনৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটকৰ ভ্ৰমণ বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মানাহ ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পৰ প্ৰৱেশদ্বাৰ পৰ্যটকৰ বাবে বন্ধ ৰখাৰ লগতে জীপ ছাফাৰীও বন্ধ থাকিব। একেদৰে অহা ৯ জুনৰ পৰা হাতী ছাফাৰী আৰু ৰিভাৰ ৰাফটিং বন্ধ থাকিব বুলি উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালকে এখন জাননীযোগে প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত